# আজিও আহিছিল অৰণ্যখন

*পাৰিপাৰ্শ্বিক কবিতা*

সত্যজিৎ গগৈ

PWF

পয়েট্ৰী উইডাউট ফিয়াৰ

*আজিও আহিছিল অৰণ্যখন*

(পাৰিপাৰ্শ্বিক কবিতাৰ সংকলন)

সত্যজিৎ গগৈ

প্ৰথম সংস্কৰণ ২০২৪

*Ajio Ahisil Aranyakhan*

*A collection of Assamese ecopoems by Satyajit Gogoi.*

© 2024 by Author and Poetry without Fear.

All rights reserved. Except for quote in magazines, newspapers, journals, and other review, no part of this book may be reproduced, for any reason, by any means, including any method of photographic reproduction, without the permission from the Publisher.

First Edition 2024.

Published by Poetry without Fear (PWF) in Assam, 2024.
Email: poetrywithoutfear@gmail.com

Printed by Elloid Communication at Guwahati, Assam.

ISBN 978-81-975772-2-2

Price: ₹150.00

# মন কৰিলেই দেখোঁ

মন কৰিলেই দেখোঁ
ৰঙা ধোঁৱাবৰণীয়া জুই একুৰা
চহৰখনৰ ওপৰত
দেখোঁ দূৰৈৰ পাহাৰটোকো ছানি ধৰিছেগৈ
একেই জুয়ে

মাটিচাকি এগছিৰে পোহৰাই আছিল
তুলসীৰ তল
কৰযোৰ কৰি, মূৰ হাওলাই
তুলসীৰ তোৰণৰ তলেৰে সৰকি গৈছিলোঁ
প্ৰাচীন পৃথিৱীলৈ
প্ৰত্নতাত্ত্বিক এজনৰ হাতত ধৰি

শৰীৰে শুহি লৈছিল
অৰণ্যৰ সুগন্ধী
দুহাত প্ৰসাৰী স্পৰ্শ কৰিলোঁ
ফুলিবলৈ ধৰা ফুলৰ কলিবোৰক
মাটিক খামুচি থকা গছবোৰক

কবি এজনৰ দৰে তেওঁ কৈছিল ঃ
গছে জানে, সকলোৰে শেষ আশ্ৰয় মাটি

# পানী-যুঁৰলিত পৰি থকা

পানী-যুঁৰলিত পৰি থকা
ক্ষত-বিক্ষত বিশাল দেহটোৱে
উপহাস কৰিছে

ধিক
আকৌ এবাৰ অন্ধবিশ্বাসৰ
বলি হ'লি তহঁত

# তাইৰ জ্বৰ

তাইৰ জ্বৰ

কঁপিছে
চুব নোৱৰা দেহৰ উত্তাপ

কেতিয়াবা উন্মাদ হৈছে
তাইৰ অ'জন চোলাটো ফাটিছে

কঁপি আছে
চিকিৎসাবিহীনভাৱে